প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# “বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰি ৰাখিবলৈ গ্ৰামোন্নয়ন আঁচনিসমূহ বিশেষকৈ এমজিএনৰেগাৰ সফল ৰূপায়ণে প্ৰভূত বৰঙনি আগবঢ়াব”—মন্ত্ৰী নৱ দলে

**গুৱাহাটী, ১৬ মে’ ঃ** “বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰি ৰাখিবলৈ হ’লে গ্ৰাম্য অৰ্থনীতি সবল কৰিব লাগিব। গ্ৰামোন্নয়নৰ অধীনত ৰূপায়িত হৈ থকা আঁচনিসমূহ বিশেষকৈ এমজিএনৰেগা আঁচনিখনৰ জৰিয়তে মজুৰি ভিত্তিক কৰ্মসংস্থান প্ৰদানেৰে আমি গ্ৰাম্য অৰ্থনীতি সবল কৰাত বিশেষ ভূমিকা পালন কৰিব পাৰো।”—আজি দৰং জিলাৰ উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত জিলাখনৰ অন্তৰ্গত বিধান সভা সমষ্টিৰ বিধায়কসকলৰ উপস্থিতিত আয়োজিত পৰ্যালোচনা সভাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে এইদৰে কয়।

কোভিড-১৯ৰ সংক্ৰমণৰ ভয়াবহতাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰৰ পৰা আহি ঘৰত কৰ্মহীন হৈ বহি থাকিবলগীয়া হোৱা লোকসকলকো তেওঁ এই আঁচনিৰ অধীনত কাম দিবলৈ আহ্বান জনায়। এই কামৰ বাবে তেওঁলোকক আগবাঢ়ি আহিবলৈ উৎসাহিত কৰি কম দিনৰ ভিতৰত জব কাৰ্ড প্ৰদান কৰি তেওঁলোকৰ জীৱিকা অৰ্জনত সহায় কৰাৰ মাধ্যমেৰে ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা সুস্থিৰ কৰাত সহায় কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। ইয়াৰ বাবে কামৰ অন্তত সময়মতে মজুৰি প্ৰদান কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে কৰ’না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলি থকা লক ডাউন শিথিল কৰাৰ পিছত অন্যান্য ৰাজ্যৰ দৰে অসমতো গ্ৰামোন্নয়নৰ সকলো আঁচনি যেনে এমজিএনৰেগা, পিএমএৱাই-জি, চতুৰ্দশ বিত্তীয় আয়োগ, এনএছএপি, ডিএৱাই এনআৰএলএম আদিৰ কাম আৰম্ভ কৰা হৈছে। গ্ৰাম্য অসমৰ অৰ্থনৈতিক উন্নয়নত বিশেষ ভূমিকা পালন কৰিব পৰা এই আঁচনিসমূহ যাতে ফলপ্ৰূভাৱে ৰূপায়ণ কৰিব পাৰি তাৰ বাবে বিভাগীয় মন্ত্ৰী দলেয়ে নিজে জিলাই জিলাই গৈ কাম-কাজৰ পৰিদৰ্শন কৰাৰ লগতে বিভাগীয় ক্ষেত্ৰীয় বিষয়াসকলৰ উপৰি স্থানীয় জনপ্ৰতিনিধিসকলৰ উপস্থিতিত পৰ্যালোচনা সভা অনুষ্ঠিত কৰি আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধাসমূহৰ বিষয়ে বিশেষকৈ খণ্ড উন্নয়ন বিষয়াসকলৰ পৰা বুজ লৈ আছে। ইতিমধ্যে ধেমাজি, লখিমপুৰ, মাজুলী,  নগাঁও, বৰপেটা আৰু হোজই জিলাৰ কাম-কাজ পৰিদৰ্শন কৰাৰ পিছত গ্ৰামোন্নয়নৰ আঁচনি ৰূপায়ণৰ বুজ লোৱাৰ অৰ্থে বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা আৰু আয়ুক্ত হেমেন দাসৰ নেতৃত্বত যোৱা উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ সৈতে  আজি দৰং জিলাত মন্ত্ৰীগৰাকী উপস্থিত হয়।

জিলাখনৰ সমূহ বিভাগীয় বিষয়াসকলৰ উপস্থিতিত আলোচনাকালত মন্ত্ৰীগৰাকীয়ে বিভিন্ন আঁচনিৰ সফল ৰূপায়ণৰ বাবে ল’ব লগা পদক্ষেপ সম্পৰ্কত পৰামৰ্শ আগবঢ়াই প্ৰতিখন আঁচনি যুদ্ধকালীন তৎপৰতাৰে সম্পূৰ্ণ কৰাৰ বাবে সময় নিৰ্দ্ধাৰণ কৰি দিয়ে। এই অনুসৰি বাকী থকা জব

কার্ডসমূহৰ পৰীক্ষণ এসপ্তাহৰ ভিতৰত, হিতাধিকাৰীৰ একাউণ্ট পৰীক্ষণ দহ দিনৰ ভিতৰত, পিএমৱাই-জিৰ ঘৰসমূহ ডেৰমাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ বাকী থকা পুঁজিখিনি অহা তিনিমাহৰ ভিতৰত ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়ে।

বৰ্তমান কৰ'না ভাইৰাছৰ সংক্ৰমণে জনস্বাস্থ্যৰ লগতে দেশৰ আৰ্থ-সামাজিক আদি সকলো ক্ষেত্ৰতে অনা প্ৰত্যাহ্বানৰ মুখামুখি হৈ ৰাজ্যখনৰ উন্নয়ন সাধিবলৈ হ'লে সকলোৱে একাগ্ৰতাৰে আৰু সংগবদ্ধভাৱে কাম কৰিব লাগিব বুলি আলোচনা কালত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

এই দুৰ্যোগৰ সময়ত গ্ৰাম্য উন্নয়নৰ সকলো আঁচনি সফলতাৰে ৰূপায়ণ কৰি যাতে গ্ৰাম্য দুখীয়া জনসাধাৰণক প্ৰকৃতাৰ্থত সহায় কৰাৰ লগতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা ৰাজ্যৰ অৰ্থনৈতিক পৰিকাঠামো সবল ৰূপত ধৰি ৰাখিব পাৰি তাৰ বাবে গ্ৰামোন্নয়ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক আগশাৰীৰ যোদ্ধা হিচাপে নিজকে সমৰ্পণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।

আনহাতে বৰ্তমান কৰ'না মহামাৰীৰ বাবে মানি চলিবলগীয়া সামাজিক দূৰত্ব, মাস্ক পৰিধান আৰু সঘনাই হাত ধোৱাকে ধৰি সকলো নীতি মানি চলিবলৈ সকলোকে আহ্বান জনোৱাৰ উপৰি চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আদি চেনিটাইজ কৰাৰ উপৰি সামাজিক সুৰক্ষা সুনিশ্চিত কৰিবলৈ সৌৰশক্তি চালিত বিদ্যুত যোগান ব্যৱস্থাও সুপৰিকল্পিতভাৱে হাতত ল'বলৈ তেওঁ নিৰ্দেশ দিয়ে।

আনহাতে বৰ্তমানৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনৰ আত্মসহায়ক গোটসমূহলৈ বেংক ঋণ প্ৰদানৰ ব্যৱস্থা কৰি তেওঁলোকে হাতত লোৱা কাৰ্যসমূহ বহল ভিত্তিত কৰিবৰ বাবে সুবিধা কৰি দিবলৈ নিৰ্দেশ দিয়া হয়। লগতে মাস্ক প্ৰস্তুতৰ ক্ষেত্ৰত আৰু অধিক গুৰুত্ব দিবলৈ আহ্বান জনোৱাৰ লগতে প্ৰতিখন গাঁও পঞ্চায়তকে ২০০০কৈ মাস্ক আত্মসহায়ক গোটৰ পৰা কিনি বিনামূলীয়াকৈ বিশেষকৈ এমজিএনৰেগাৰ শ্ৰমিকসকলৰ মাজত বিতৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ জৰিয়তে জীৱন জীৱিকাৰ লগতে সমাজৰো উন্নয়ন হ'ব বুলি উল্লেখ কৰি জিলাখনৰ উপায়ুক্তগৰাকীক গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণৰ এই সকলো ক্ষেত্ৰতে তদাৰক কৰিবলৈ নিৰ্দেশনা দিয়ে।

আজিৰ পৰ্যালোচনা সভাত উপস্থিত থাকি ছিপাঝাৰ, মঙলদৈ, কলাইগাঁও আৰু দলগাঁও সমষ্টিৰ বিধায়ক ক্ৰমে বিনন্দ শইকীয়া, গুৰুজ্যোতি দাস, মহেশ্বৰ বড়ো আৰু ইলিয়াছ আলীয়েও বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত দৰং জিলা পৰিষদৰ সভাপতি ধীৰেণ ডেকা, বিভাগৰ অতিৰিক্ত সঞ্চালক খগেশ্বৰ পেগু, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক উৎপলা শইকীয়া, অতিৰিক্ত মিছন সঞ্চালক ক্ষিতিশ পেগু, জিলা উপায়ুক্ত দিলীপ কুমাৰ বৰা, দৰং জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰমেন মালাকাৰকে ধৰি বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/১৬-০৫-২০২০*








SINCE-1948
DEPUTY COMMISSIONERS
DARRANG.

